**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 03-02-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN
***HEADLINES***
**::::::::::::::::::**

১। মহাকুম্ভ মেলাত সংঘটিত ঘটনা সন্দৰ্ভত আলোচনাৰ দাবী উত্থাপন কৰি বিৰোধী দলসমূহে আজি সংসদৰ উভয় সদনত হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

২। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলাত আজি বসন্ত পঞ্চমী উপলক্ষে দিনৰ ১২ বজালৈকে ১ কোটি ২৫ লাখৰো অধিক ভক্তই স্নান কৰে।

৩। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ নিৰীক্ষণ উপগ্ৰহ NVS-02 কক্ষপথৰ পৰা আন কক্ষপথলৈ প্ৰেৰণ কৰাৰ সময়ত কালি কাৰিকৰী বিজুতি ঘটে বুলি ইছৰোৱে জানিবলৈ দিছে।

৪। আমেৰিকা নিবাসী ভাৰতীয় মূলৰ কণ্ঠশিল্পী চণ্ডিকা টেণ্ডনে দ্য বেষ্ট নিউ এজ, এম্বিয়েণ্ট অব চাণ্ট এলবাম শাখাত গ্ৰেমী বঁটা লাভ কৰিছে।

***আৰু***

৫। উত্তৰাখণ্ডত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত বৰ্তমানলৈ ১৭টা সোণ, ১০টা ৰূপ আৰু ৮টা ব্ৰঞ্জৰ পদকেৰে ছাৰ্ভিচেছ শীৰ্ষস্থানত আছে।

ooooooo

মহাকুম্ভ মেলাত সংঘটিত ঘটনা সন্দৰ্ভত বিৰোধী দলসমূহে আলোচনাৰ দাবী উত্থাপন কৰাক কেন্দ্ৰ কৰি সংসদৰ উভয় সদনত আজি হুলস্থূলীয়া পৰিবেশৰ উদ্ভৱ হয়। লোকসভাত আজি পুৱা সদনৰ কাম-কাজ আৰম্ভ হোৱা সময়তে বিৰোধী দলসমূহে প্ৰয়াগৰাজৰ মহাকুম্ভত ব্যৱস্থাপনাৰ ক্ষেত্ৰত খেলি-মেলি হোৱাৰ অভিযোগ উত্থাপন কৰি শ্লোগান দিবলৈ আৰম্ভ কৰে। সদনৰ অধ্যক্ষ ওম বিৰলাই কয় যে ৰাষ্ট্ৰপতিয়ে ইতিমধ্যে লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত দিয়া তেওঁৰ ভাষণত মহাকুম্ভৰ বিষয়টো উল্লেখ কৰিছে। সাংসদসকলে ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ বিষয়ে আলোচনাৰ সময়ত তেওঁলোকৰ মতামত প্ৰকাশ কৰিব পাৰিব বুলি উল্লেখ কৰি তেওঁ সাংসদসকলক সদনৰ মৰ্যাদা ৰক্ষা কৰাৰ লগতে ইয়াৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাত সহায় কৰিবলৈ আহ্বান জনায়। তৎসত্বেও কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টী আৰু তৃণমূল কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহে প্ৰতিবাদ আব্যাহত ৰাখে। এনে পৰিস্থিতিৰ মাজতে সদনৰ শূণ্যকাল আৰম্ভ কৰা হয় যদিও বিৰোধী পক্ষৰ সাংসদসকলে কিছু সময়ৰ বাবে সদন ত্যাগ কৰে।

একেদৰে ৰাজ্যসভাতো দিনটোৰ বাবে সদন মিলিত হোৱাৰ সময়ত বিৰোধী দলৰ সদস্যসকলে বিষয়টোক লৈ শ্লোগান দিবলৈ আৰম্ভ কৰে যদিও সভাপতি জগদীপ ধনখড়ে মহাকুম্ভৰ ঘটনা আৰু অন্যান্য বিষয়ক লৈ বিৰোধী

দলসমূহে উত্থাপন কৰা সদন স্থগিত ৰখাৰ জাননীৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰে। এনে প্ৰেক্ষাপটত কংগ্ৰেছ, সমাজবাদী পাৰ্টী, শিৱসেনাৰ ইউ বি টি গোট, আৰ জে ডি আৰু অন্যান্য বিৰোধী দলসমূহৰ সাংসদসকলে সদন ত্যাগ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। এনে হুলস্থূলীয়া পৰিবেশৰ মাজতেই উভয় সদনৰ তালিকাভুক্ত কাৰ্যসূচীসমূহ অব্যাহত থাকে।

ooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলাত আজি বসন্ত পঞ্চমী উপলক্ষে দিনৰ ১২ বজালৈকে ১ কোটি ২৫ লাখৰো অধিক ভক্তই স্নান কৰে। ত্ৰিবেণী সংগম ঘাটত মহাকুম্ভ মেলাৰ এইটো হৈছে তৃতীয়টো অমৃত স্নান। এই স্নানক মহাকুম্ভ মেলাৰ আটাইতকৈ পৱিত্ৰ হিচাপে গণ্য কৰা হয়। জনসাধাৰণে লগতে পুৱাৰ ভাগত গংগা আৰতি কৰে। মহাকুম্ভ মেলাৰ পৱিত্ৰ স্নানৰ ভিতৰত মকৰ সংক্ৰান্তিৰ দিনা অৰ্থাৎ ১৪ জানুৱাৰীত আৰু ২৯ জানুৱাৰীত মৌনী অমাৱস্যাৰ দিনা কোটি কোটি লোকে পৱিত্ৰ স্নান কৰে। বিশ্বৰ সৰ্বাধিক ধৰ্মীয় জনসমাবেশ হিচাপে পৰিগণিত হোৱা এই মহাকুম্ভ মেলাত বৰ্তমানলৈ ৩৬ কোটিৰো অধিক লোকে পৱিত্ৰ স্নান কৰে।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে জানিবলৈ দিছে যে ইয়াৰ নিৰীক্ষণ উপগ্ৰহ NVS-02 কক্ষপথৰ পৰা আন কক্ষপথলৈ প্ৰেৰণ কৰাৰ সময়ত কালি কাৰিকৰী বিজুতি ঘটে। সামাজিক মাধ্যমযোগে সংস্থাটোৱে জানিবলৈ দিছে যে উপগ্ৰহটোৰ বাবে নিৰ্ধাৰণ কৰা কক্ষপথত প্ৰেৰণ কৰাৰ সময়ত এই বিজুতি ঘটে। সংস্থাটোৱে জানিবলৈ দিছে যে কৰ্ণাটকৰ হাছানত থকা ইয়াৰ নিয়ন্ত্ৰণ কক্ষই উপগ্ৰহটো অহৰহ নিৰীক্ষণ কৰি আছে আৰু ইয়াৰ অভ্যন্তৰৰ ব্যৱস্থা সক্ষম হৈ আছে। যোৱা ২৯ জানুৱাৰীত এই উপগ্ৰহটো GSLV F-15 ৰকেটৰ সহায়ত সফলতাৰে উৎক্ষেপন কৰা হৈছিল।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰে পৰা বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা হৈছে। অৱশ্যে এইবাৰ সৰস্বতী পূজাৰ তিথি দুদিনীয়া হোৱাৰ বাবে কোনো কোনো অঞ্চলত কালি সৰস্বতী পূজা পালন কৰা হয়। অৱশ্যে ৰাজ্যৰ বেছি সংখ্যক শিক্ষানুষ্ঠানত আজি উলহ-মালহেৰে ধৰ্মীয় ৰীতি-নীতিৰে সৰস্বতী পূজা উদযাপন কৰা হৈছে। সৰস্বতী পূজা উপলক্ষে আজি ছাত্ৰ-ছাত্ৰীসকলে নানাৰঙী সাজ-পোছাক পৰিধান কৰি দেৱী সৰস্বতীৰ পূজা-অৰ্চনা কৰা পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠান প্ৰতিষ্ঠান আদিত পূজা উপলক্ষে মণ্ডপসমূহ আটক ধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সৰস্বতী পূজা উপলক্ষে বাগ দেৱী আই সৰস্বতীৰ আশীষেৰে শিক্ষাৰ্থী তথা আটাইকে জ্ঞান আৰু প্ৰজ্ঞাৰে শক্তিৱন্ত কৰি তোলাৰ লগতে সমাজৰ অজ্ঞান আন্ধাৰ নাশিবলৈ বীণাপানিয়ে সকলোৰে জীৱন জ্ঞানৰ পোহৰেৰে উদ্ভাসিত কৰাৰ আশা কৰি জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

ooooo

বজালী জিলাৰ পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক অধিৱেশনৰ আজি চতুৰ্থ দিনা বুৰঞ্জী সন্মিলনেৰে কাৰ্যসূচী আৰম্ভ হয়। এই সন্মিলনৰ পাছতে বজালী ভিত্তিত লোক সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয়। সাহিত্য সভাৰ দ্বিতীয় মুকলি সভা বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হ'ব। আনহাতে বিয়লি ৪ বজাত যুৱ সংসদ, সন্ধিয়া চাৰে ৬ বজাত সাংস্কৃতিক সন্মিলন আৰু চাৰে ৭ বজাত সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

ooooo

আমেৰিকা নিবাসী ভাৰতীয় মূলৰ কণ্ঠশিল্পী চণ্ডিকা টেণ্ডনে দ্য বেষ্ট নিউ এজ, এম্বিয়েণ্ট অব চাণ্ট এলবাম শাখাত গ্ৰেমী বঁটা লাভ কৰিছে। লছ এঞ্জেলছত CRYPTO.COM এৰেণাত আজি ৬৭ সংকৎক বাৰ্ষিক গ্ৰেমী বঁটাৰ কাৰ্যসূচী অনুষ্ঠিত হয়। সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি বিয়ন্সৰ কাউবয় কাৰ্টাৰ নামৰ এলবামটোৱে বেষ্ট কাণ্ট্ৰি এলবাম লাভ কৰে। তেওঁ সৰ্বাধিক ১১টা শিতানত মনোয়ন লাভ কৰিছে। শিল্পীগৰাকীয়ে গ্ৰেমী বঁটাৰ ইতিহাসত সৰ্বাধিক মনোনয়ন পোৱাৰ কৃতিত্ব অৰ্জন কৰিছে। চাব্ৰিনা কাৰপেণ্টাৰে ছৰ্ট এণ্ড ছুইট এলবামটোৰ বাবে প্ৰথমটো গ্ৰেমী বঁটা লাভ কৰিছে। দ্য বীটলছে কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত প্ৰস্তুত কৰা ট্ৰেক নাও এণ্ড ডেনৰ বাবে বেষ্ট ৰক্ পাৰফৰ্মেন্স বঁটা লাভ কৰে।

ooooo

দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি অন্তিম দিনটোলৈ এই নিৰ্বাচনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। পৰহিলৈ ভোটগ্ৰহণ হ'বলগীয়া এই নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে নিৰ্বাচন আয়োগ তথা প্ৰশাসনে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ৭০ খন আসনবিশিষ্ট এই বিধানসভা নিৰ্বাচনত মুঠ ৬৯৯গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। অহা ৮ ফেব্ৰুৱাৰীত নিৰ্বাচনৰ ভোটগণনা সম্পন্ন হ'ব।

ভিন ভিন ৰাজনৈতিক দলৰ নেতা আৰু তাৰকা প্ৰচাৰকসকলৰ লগতে প্ৰাৰ্থীসকলেও বিভিন্ন পন্থা অৱলম্বন কৰি ভোটদাতাসকলক আকৰ্ষিত কৰাৰ চেষ্টাত কোনো ত্ৰুটি ৰখা নাই। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জাংপুৰাত এখন ৰাজহুৱা সভাত ভাষণ দিয়ে। আম আদমী পাৰ্টীৰ চৰকাৰে দিল্লীৰ জনসাধাৰণক বিশ্বাঘাটকতা কৰা বুলি অভিযোগ কৰি তেওঁ কয় যে বিগত ১০ বছৰীয়া শাসন কালত দলটোৱে জনসাধাৰণক কেৱল দুৰ্নীতি, আৱৰ্জনা আৰু দূষিত পানীহে উপহাৰ দিয়া  দেখা গ'ল।

দলটোৰ জ্যেষ্ঠ নেতা তথা উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিয়ে কালি কেৰলবাগ বিধানসভা সমষ্টিত এখন পথসভাত অংশগ্ৰহণ কৰে। আপৰ জ্যেষ্ঠ নেতা তথা পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে আদৰ্শ নগৰ বিধানসভা সমষ্টিত আয়োজিত এখন পথসভাত অংশগ্ৰহণ কৰে। দলটোৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে আজি বিয়লিৰ ভাগত কেইবাখনো ৰাজহুৱা সভাকে ধৰি প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিব। দিল্লী কংগ্ৰেছৰ মুৰব্বী দেৱেন্দ্ৰ য়াদৱেও এই নিৰ্বাচনৰ প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰি নিৰ্বাচনত জয়লাভ কৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে।

নিৰ্বাচন আয়োগে দিল্লী বিধানসভা নিৰ্বাচনৰ লগতে উত্তৰ প্ৰদেশ আৰু তামিলনাডুৰ এটাকৈ সমষ্টিৰ উপনিৰ্বাচনৰ দিনটোত পুৱা ৭ বজাৰ পৰা সন্ধিয়া চাৰে ৬ বজালৈ নিৰ্বাচনী সমীক্ষা প্ৰকাশত বাধা আৰোপ কৰিছে। নিৰ্বাচন আয়োগে জাৰি কৰা এখন অধিসূচনাত টিভি চেনেল, অনাতাঁৰ কেন্দ্ৰ, সংবাদ সংস্থা আদিকে ধৰি সকলো সংবাদ প্ৰতিষ্ঠানলৈ এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে।

ooooo

উত্তৰাখণ্ডত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত পুৰুষৰ ১০ মিটাৰ এয়াৰ পিষ্টল শাখাত ৰাষ্ট্ৰীয় পৰ্যায়ৰ জ্যেষ্ঠ খেলুৱৈসকলক পৰাভূত কৰি কৰ্ণাটকৰ ১৫ বছৰ বয়সীয়া জনাথন গৱিন এণ্টনীয়ে সোণৰ পদক অৰ্জন কৰিছে। ছাৰ্ভিচেছৰ ৰবিন্দৰ সিঙে এই প্ৰতিযোগিতাত ২৪০ দশমিক ৩ পইণ্ট লাভ কৰিবলৈ সমৰ্থ হয় যদিও এণ্টনীয়ে ২৪০ দশমিক ৭ পইণ্টেৰে শীৰ্ষস্থান অধিকাৰ কৰে।  ছাৰ্ভিচেছৰ আন এগৰাকী খেলুৱৈ গুৰপ্ৰীত সিং ২২০ দশমিক ১ পইণ্টেৰে ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়।

বাতৰি যুগুতোৱাৰ পৰলৈ প্ৰস্তুত কৰা এই ক্ৰীড়া সমাৰোহৰ পদকৰ তালিকা অনুসৰি ছাৰ্ভিচেছ ১৭টা সোণ, ১০টা ৰূপ আৰু ৮টা ব্ৰঞ্জৰ পদকেৰে শীৰ্ষস্থানত আছে। কৰ্ণাটকে ১৭টা সোণ, ৯টা ৰূপ আৰু ৯টা ব্ৰঞ্জৰ পদকেৰে দ্বিতীয় আৰু মহাৰাষ্ট্ৰই ১৩টা সোণ, ২৩টা ৰূপ আৰু ১৬টা ব্ৰঞ্জৰ পদক লাভ কৰি তৃতীয় স্থান অধিকাৰ কৰিছে।

ৰাষ্ট্ৰীয় ক্ৰীড়াত এই পৰ্যন্ত ১৩টা পদক লাভ কৰি অসমে জয়যাত্ৰা অব্যাহত ৰাখিছে। আজি ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে কেইবাটাও শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। অসমৰ পুৰুষৰ ফুটবল দলটো আজি ছেমি ফাইনেলত মিজোৰামৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত